## <u>ডিমাপুৰ, মাইবং আৰু খাছপুৰৰ ঐতিহাসিক গুৰুত্ব:</u>

উত্তৰ-পূব ভাৰতৰ ইতিহাসত ডিমাছা-কছাৰী ৰাজ্য এক উল্লেখযোগ্য ৰাজনৈতিক শক্তি আছিল। এই ৰাজ্যৰ ইতিহাসৰ সৈতে বিশেষভাৱে জড়িত তিনিখন ৰাজধানী হ'ল—ডিমাপুৰ, মাইবং আৰু খাছপুৰ। ৰাজনৈতিক পৰিস্থিতিৰ পৰিৱৰ্তনৰ লগে লগে ডিমাছা-কছাৰীসকলৰ ৰাজনৈতিক কেন্দ্ৰও স্থানান্তৰিত হৈছিল। ডিমাপুৰ আছিল প্ৰাচীন ৰাজধানী, তাৰ পিছত মাইবং পাহাৰীয়া ৰাজনৈতিক কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিছিল আৰু পৰৱৰ্তী সময়ত খাছপুৰ ডিমাছা-কছাৰী ৰাজ্যৰ শেষ ৰাজধানী হয়। এই তিনিখন স্থানত পোৱা ৰাজপ্ৰাসাদৰ অৱশেষ, দুৰ্গ, শিলৰ স্তম্ভ, পুখুৰী, মন্দিৰ আৰু শিলালিপিয়ে ডিমাছা-কছাৰীসকলৰ ৰাজনৈতিক-সাংস্কৃতিক ইতিহাসৰ মূল্যৱান সাক্ষ্য বহন কৰে।

## <u>ডিমাপুৰৰ ঐতিহাসিক গুৰুত্ব:</u>

ডিমাপুৰ বৰ্তমানৰ নাগালেণ্ড ৰাজ্যৰ ডিমাপুৰ জিলাত অৱস্থিত। ই ডিমাছা-কছাৰী ৰাজ্যৰ প্ৰাচীন ৰাজধানী আছিল। চৰকাৰী তথ্য অনুসৰি, ডিমাপুৰত ত্ৰয়োদশ শতিকাৰ পূৰ্বৰ পৰাই কছাৰী শাসনৰ অস্তিত্বৰ উল্লেখ পোৱা যায়। সেয়েহে ডিমাপুৰক ডিমাছা-কছাৰী ৰাজ্যৰ প্ৰাৰম্ভিক ৰাজনৈতিক বিকাশৰ এক গুৰুত্বপূৰ্ণ কেন্দ্ৰ হিচাপে গণ্য কৰা হয়।

ডিমাপুৰৰ অন্যতম গুৰুত্বপূৰ্ণ ঐতিহাসিক স্থান হৈছে কছাৰী ৰাজবাৰী (Kachari Rajbari)। ইয়াৰ ধ্বংসাৱশেষে ডিমাছা-কছাৰী ৰাজশক্তিৰ অতীত গৌৰৱৰ পৰিচয় দিয়ে।কছাৰী ৰাজবাৰী অঞ্চলত পোৱা শিলৰ স্তম্ভ, প্ৰৱেশদ্বাৰ আৰু অন্যান্য স্থাপত্যৰ অৱশেষ বিশেষভাৱে উল্লেখযোগ্য। ডিমাপুৰৰ কছাৰী ধ্বংসাৱশেষৰ এটা বৈশিষ্ট্য হৈছে ভেঁকুৰিৰ টুপিৰ দৰে গম্বুজযুক্ত শিলৰ স্তম্ভ। কিছুমান স্তম্ভত চৰাই, জীৱ-জন্তু, ফুল আৰু অন্যান্য নক্সাও খোদিত কৰা দেখা যায়।

ডিমাপুৰৰ ইতিহাসত ৰাজকীয় পুখুৰীসমূহৰো বিশেষ গুৰুত্ব আছে। ইয়াৰ ভিতৰত ৰাজপুখুৰী, পদুমপুখুৰী, বামুণপুখুৰী আৰু যোৰপুখুৰী উল্লেখযোগ্য। এই

পুখুৰীসমূহ ডিমাছা-কছাৰী ৰাজশক্তিৰ জল-ব্যৱস্থাপনা আৰু নগৰ পৰিকল্পনাৰ সৈতে জড়িত আছিল বুলি চৰকাৰী তথ্যত উল্লেখ কৰা হৈছে।

ডিমাপুৰৰ ধ্বংসাৱশেষত কেৱল শিলৰ স্তম্ভই নহয়, মন্দিৰ, প্ৰাচীৰ, বান্ধ আৰু জলাশয়ৰ অৱশেষো পোৱা যায়। এইবোৰে ডিমাছা-কছাৰীসকলৰ উন্নত স্থাপত্য-কৌশল আৰু সুসংগঠিত ৰাজনৈতিক বসতিৰ অস্তিত্বৰ বিষয়ে ধাৰণা দিয়ে।

আহোমসকলৰ সৈতে সংঘাতৰ ফলত ডিমাছা-কছাৰীসকলৰ ৰাজনৈতিক কেন্দ্ৰ ডিমাপুৰৰ পৰা মাইবঙলৈ স্থানান্তৰিত হয়। এই স্থানান্তৰে ডিমাছা-কছাৰী ইতিহাসত এক নতুন পৰ্যায়ৰ সূচনা কৰে। সেয়েহে ডিমাপুৰক কেৱল প্ৰাচীন ৰাজধানী হিচাপে নহয়, ডিমাছা-কছাৰী ৰাজ্যৰ প্ৰাৰম্ভিক ৰাজনৈতিক শক্তিৰ প্ৰতীক হিচাপেও বিবেচনা কৰা হয়।

**<u>মাইবঙৰ ঐতিহাসিক গুৰুত্ব:</u>**

মাইবং বৰ্তমানৰ অসমৰ ডিমা হাছাও জিলাত অৱস্থিত। ডিমাপুৰৰ পিছত মাইবং ডিমাছা-কছাৰী ৰাজ্যৰ ৰাজধানী হয়। মাইবং পৰ্যায়ে ডিমাছা-কছাৰী ৰাজ্যৰ ইতিহাসত এক নতুন ৰাজনৈতিক অধ্যায়ৰ সূচনা কৰে।মাইবং পাহাৰীয়া অঞ্চলত অৱস্থিত হোৱাৰ বাবে ডিমাছা-কছাৰীসকলৰ ৰাজনৈতিক আৰু সামৰিক ইতিহাসৰ সৈতে ইয়াৰ ভৌগোলিক অৱস্থান বিশেষভাৱে জড়িত।মাইবঙৰ অন্যতম গুৰুত্বপূৰ্ণ প্ৰত্নতাত্ত্বিক স্থান হৈছে মাইবঙৰ জলাশয় সমূহ আৰু প্ৰাচীৰ সমূহ( Tanks and Rampart)। অসম চৰকাৰৰ পুৰাতত্ত্ব বিভাগৰ তথ্য অনুসৰি, ইয়াত প্ৰায় ১ কিলোমিটাৰ দীঘল ইটাৰে নিৰ্মিত প্ৰাচীৰ আছিল। এই প্ৰাচীৰে ডিমাছা-কছাৰীসকলৰ বসতি অঞ্চলক সুৰক্ষা প্ৰদান কৰিছিল।

মাইবঙৰ এই প্ৰত্নতাত্ত্বিক স্থানত ৰাজপুখুৰী আৰু ৰাণীপুখুৰী নামৰ দুটা ৰাজকীয় পুখুৰীৰ উল্লেখ পোৱা যায়। পুখুৰী দুটাৰ পাৰত ইটাৰে নিৰ্মিত বান্ধ আৰু খটখটি আছিল।এটা পুখুৰীৰ প্ৰস্থ প্ৰায় ১৪ মিটাৰ আৰু ইয়াৰ চাৰিওফালে

ইটাৰে নিৰ্মিত খটখটি থকাৰ কথা অসম চৰকাৰৰ পুৰাতত্ব বিভাগে উল্লেখ কৰিছে। আনটো ৰাজপুখুৰী আয়তাকাৰ আকৃতিৰ।

মাইবংত ডিমাছা–কছাৰী যুগৰ বিভিন্ন শিলৰ স্থাপত্য আৰু ধৰ্মীয় নিদৰ্শন পোৱা যায়। ইয়াৰ ভিতৰত শিলৰ দুৱাৰ বা সিংহদ্বাৰ বিশেষ গুৰুত্বপূৰ্ণ। মাইবঙৰ শিলালিপিসমূহে সেই সময়ৰ ৰাজশাসন আৰু নিৰ্মাণকাৰ্যৰ বিষয়ে গুৰুত্বপূৰ্ণ তথ্য দিয়ে।

মাইবঙৰ শিলালিপি ডিমাছা–কছাৰী ইতিহাসৰ এক গুৰুত্বপূৰ্ণ লিখিত উৎস। মেঘনাৰায়ণ নামৰ ডিমাছা ৰজাৰ সময়ৰ শিলালিপিৰ পৰা মাইবঙত নিৰ্মাণকাৰ্য আৰু ৰাজকীয় পৃষ্ঠপোষকতাৰ বিষয়ে তথ্য লাভ কৰা যায়।এই ধৰণৰ শিলালিপিয়ে ডিমাছা–কছাৰীসকলৰ ৰাজবংশ, ৰাজত্ব আৰু স্থাপত্যিক পৰম্পৰা অধ্যয়ন কৰাত বিশেষ সহায় কৰে।

মাইবং কেৱল এখন ৰাজধানী নাছিল; ই ডিমাছা–কছাৰী ৰাজশক্তিৰ পুনৰ্গঠন আৰু সুদৃঢ়কৰণৰ কেন্দ্ৰ আছিল। ডিমাপুৰৰ ৰাজনৈতিক সংকটৰ পিছতো মাইবঙত ডিমাছা শাসন অব্যাহত থাকে। এই কাৰণে মাইবং ডিমাছা–কছাৰী ইতিহাসৰ এক গুৰুত্বপূৰ্ণ পৰ্যায়ক প্ৰতিনিধিত্ব কৰে।

**<u>খাছপুৰৰ ঐতিহাসিক গুৰুত্ব:</u>**

খাছপুৰ বৰ্তমানৰ অসমৰ কাছাৰ জিলাত, বৰাক উপত্যকাৰ অন্তৰ্গত। ডিমাপুৰ আৰু মাইবঙৰ পিছত খাছপুৰ ডিমাছা–কছাৰীসকলৰ শেষ ৰাজধানী হিচাপে পৰিগণিত হয়। ভাৰত চৰকাৰৰ National Monuments Authority–ৰ তথ্য অনুসৰি, ডিমাপুৰ, মাইবং আৰু খাছপুৰ কছাৰীসকলৰ তিনিখন ৰাজধানী আছিল আৰু খাছপুৰ আছিল শেষ ৰাজধানী।

খাছপুৰৰ ইতিহাসৰ এটা বিশেষ বৈশিষ্ট্য হৈছে ইয়াৰ সৈতে কোচ আৰু ডিমাছা ৰাজনৈতিক ইতিহাসৰ সম্পৰ্ক। খাছপুৰ অঞ্চলৰ পূৰ্বৰ ইতিহাস কোচসকলৰ সৈতে জড়িত আছিল আৰু পৰৱৰ্তী সময়ত ডিমাছা ৰাজশক্তিৰ সৈতে

ইয়াৰ সংযোগ ঘটে।এই কাৰণে খাচ্‌পুৰৰ ইতিহাস অধ্যয়ন কৰিলে কোচ আৰু ডিমাছা ৰাজনৈতিক সম্পৰ্কৰ বিষয়েও গুৰুত্বপূৰ্ণ তথ্য লাভ কৰিব পাৰি।

খাচ্‌পুৰত থকা কছাৰী ধ্বংসাৱশেষ ডিমাছা-কছাৰী ইতিহাসৰ এক উল্লেখযোগ্য প্ৰত্নতাত্ত্বিক নিদৰ্শন। ইয়াত ৰাজকীয় স্থাপত্যৰ ধ্বংসাৱশেষ, মন্দিৰ আৰু অন্যান্য নিৰ্মাণৰ অৱশেষ পোৱা যায়।National Monuments Authority-ৰ তথ্য অনুসৰি, খাচ্‌পুৰৰ সংৰক্ষিত কছাৰী স্মাৰকসমূহৰ নিৰ্মাণ অষ্টাদশ শতিকাৰ বুলি ধৰা হয়; অৱশ্যে কোনজন শাসকৰ সময়ত আৰু সঠিক কোন বছৰত নিৰ্মাণ হৈছিল, সেই বিষয়ে নিশ্চিত তথ্য পোৱা নাযায়।

মাইবঙৰ পাহাৰীয়া পৰিৱেশৰ বিপৰীতে খাচ্‌পুৰ আছিল বৰাক উপত্যকাৰ সমতল অঞ্চলৰ ৰাজনৈতিক কেন্দ্ৰ। এই স্থানান্তৰে ডিমাছা-কছাৰী ৰাজ্যৰ ইতিহাসত এক উল্লেখযোগ্য ভৌগোলিক পৰিৱৰ্তন সূচায়।সমতল অঞ্চলত অৱস্থিত হোৱাৰ বাবে খাচ্‌পুৰৰ যোগাযোগ আৰু অৰ্থনৈতিক গুৰুত্বও বৃদ্ধি পাইছিল।খাচ্‌পুৰত ডিমাছা পৰম্পৰাৰ সৈতে আন আন আঞ্চলিক সাংস্কৃতিক প্ৰভাৱৰ সংমিশ্ৰণ দেখা যায়। ৰাজকীয় স্থাপত্য আৰু ধৰ্মীয় স্থাপনাসমূহে এই সাংস্কৃতিক পৰিৱৰ্তনৰ কিছু পৰিচয় বহন কৰে।

খাচ্‌পুৰ ডিমাছা-কছাৰী ৰাজশক্তিৰ শেষ পৰ্যায়ৰ ইতিহাসৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। শেষ ডিমাছা ৰজা গোবিন্দচন্দ্ৰ নাৰায়ণৰ মৃত্যুৰ পিছত ডিমাছা-কছাৰী ৰাজশক্তিৰ অৱসান ঘটে আৰু ব্ৰিটিছ শাসনে অঞ্চলটো নিজৰ অধীনলৈ নিয়ে। চৰকাৰী ঐতিহাসিক তথ্যত ১৮৩০ চনত গোবিন্দচন্দ্ৰ নাৰায়ণৰ মৃত্যু আৰু ১৮৩২ চনত ব্ৰিটিছৰ দ্বাৰা কছাৰী ৰাজ্য অধিগ্ৰহণৰ কথা উল্লেখ আছে।